জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৫১/২০২২

# গুৱাহাটী মহানগৰীৰ বাবে সংহত যাতায়াত ব্যৱস্থাপনা প্ৰণালীৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৩ আগষ্ট** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ আৰু জনবহুল গুৱাহাটী মহানগৰীৰ যান-বাহন ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণৰ বাবে মহানগৰ আৰক্ষী আয়ুক্তৰ অধীনস্থ সংহত যান-বাহন ব্যৱস্থাপনা প্ৰণালী (আই টি এম এছ)ৰ প্ৰথম পৰ্যায় জনসাধাৰণৰ সেৱাৰ বাবে উৎসৰ্গিত কৰে। নাগৰিকসকলৰ বাবে অনুকূল, সামগ্ৰিক, সংহত আৰু সঁহাৰিজনক ব্যৱস্থা এটা গঢ়ি তুলি যান-বাহন ব্যৱস্থাপনা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই সংহত যান-বাহন ব্যৱস্থাপনা প্ৰণালী হৈছে এক অত্যাধুনিক যান-বাহন নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ ব্যৱস্থা। এই ব্যৱস্থাৰ অধীনত গুৱাহাটী মহানগৰৰ প্ৰধান জংচনসমূহত সংস্থাপিত কেমেৰাৰ জৰিয়তে যান-বাহন নীতি উলংঘা কৰা গাড়ীৰ চালকসমূহক নিৰীক্ষণ কৰাৰ উপৰি চহৰখনত সুচলতৰ যাতায়াত ব্যৱস্থা গঢ়ি তোলাত সহায়ক হ'ব।

প্ৰথম পৰ্যায়ত সংহত যান-বাহন ব্যৱস্থাপনা প্ৰণালীৰ দ্বাৰা নেপালী মন্দিৰৰ পৰা খানাপাৰালৈ ২০ টা জংচন সামৰি লোৱা হৈছে। চূড়ান্ত পৰ্যায়ত মুঠ ৯৪ টা জংচন এই ব্যৱস্থাপনাৰ আওতালৈ আহিব। ইয়াৰ জৰিয়তে ট্ৰেফিক সংকেতৰ লাইভ মনিট'ৰিং আৰু নিয়ন্ত্ৰণ কৰাৰ লগতে চিচি টিভিৰ জৰিয়তে গুৰুত্বপূৰ্ণ স্থানৰ মাজেদি অতিক্ৰম কৰা বাহনসমূহৰ লাইভ নিৰীক্ষণো সম্ভৱ হৈ উঠিব। ভিডিঅ' বিশ্লেষণৰ জৰিয়তে কোনো এটা ঘটনা সংঘটিত হ'লে লাইভ সতৰ্কবাণীৰ লগতে ভিডিঅ' এনালাইটিকছ আৰু ই-চালনাৰ জৰিয়তে অপৰাধীক চিনাক্ত, গ্ৰেপ্তাৰ আৰু গোচৰ চলোৱাত সহায়ক হ'ব।

এই ব্যৱস্থাৰ অধীনত দ্ৰুত আৰু ফলপ্ৰসূ সঁহাৰিৰ বাবে নাগৰিকসকলে আৰক্ষীৰ সৈতে যোগাযোগ কৰিব পাৰিব। গ্ৰীণ কৰিডৰ ব্যৱস্থাৰে জৰুৰীকালীন সময়ত সেৱা আৰু দ্ৰুত টাৰ্ণ এৰাউণ্ডৰ ক্ষেত্ৰতো ই সহায়ক হৈ উঠিব। আইন-শৃংখলা পৰিস্থিতি বজাই ৰখাত সহায় কৰাৰ লগতে বলৱৎকাৰী ব্যৱস্থাৰ জৰিয়তে যাতায়াত অনুশাসন উন্নত কৰাৰ ক্ষেত্ৰতো এই ব্যৱস্থা সহায়ক হৈ উঠিব।

আজিৰ এই অনুষ্ঠানত গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

অঃহাঃ / পুঃডেঃ
**২৩/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in